নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত  ☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

—২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ ত্ৰয়োদশ বছৰ সংখ্যা ২৬৮ দেওবাৰ ২৬ শাওণ ১৯৪৬ শক ১১ আগষ্ট ২০২৪ চন ASOMIYA KHABAR JORHAT

## ...াষ্টমী ...ক ৰচনা ...যোগিতা

...ৰ, যোৰহাট, ১০ ...াৰহাটৰ গান্ধীবাদী ... অনুষ্ঠান মহাপুৰুষ ... ফাউণ্ডেশ্যনৰ ... আগন্তুক শ্ৰীকৃষ্ণ ...লগত সংগতি ৰাখি ...যাগিতাৰ আয়োজন ... ৰচনাৰ বিষয়- ...ন্ম আৰু কৰ্ম।' নৱম ... দ্বাদশ শ্ৰেণীত পঢ়ি ...ছাত্ৰীসকলৰ মাজত ... কৰা এই ৰচনা ...তাত যোগদানৰ ...খ ৩ ছেপ্টেম্বৰ। ...াত শ্ৰেষ্ঠ বিবেচিত ...াৰাকীক নগদ ধন ...ত্ৰ প্ৰদান কৰিব। এই ...তাৰ সম্পৰ্কত ... জানিবৰ বাবে ...ল ফোন-৯৭০৭৬ ...স্বৰত যোগাযোগ ...ব বুলি আয়োজক ...ানিবলৈ দিছে আৰু ... কামনা কৰিছে।

### বিধায়কে গীত-মাতেৰে মুহিলে শিক্ষাৰ্থীক

# ডি এইছ এছ কানৈ মহাবিদ্যালয়ত মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ শুভাৰম্ভ

**ষ্টাফ্ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১০ আগষ্ট ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ছাত্ৰী সৱলীকৰণৰ বাবে প্ৰৱৰ্তন কৰা 'মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি'ৰ প্ৰ-পত্ৰ বিতৰণ কাৰ্যসূচী বন্তি প্ৰজ্বলনৰে ডি এইছ এছ কানৈ মহাবিদ্যালয়ত ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকনে শুভাৰম্ভ কৰে। অসমৰ জাতীয় সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানত বিধায়ক ফুকনে কয়, মুখ্যমন্ত্ৰীয়ে ছাত্ৰী সৱলীকৰণৰ বাবে প্ৰৱৰ্তন কৰা এই অভিলাষী আঁচনিখনে ছাত্ৰীসকলৰ উচ্চ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত বহুখিনি সুবিধা কৰিব। মুখ্য দ্বাৰৰ পৰা বিহু নৃত্য, গায়ন-বায়নৰে আদৰণি জনাই সভাগৃহলৈ অনা অনুষ্ঠানত তেওঁ কয়, বহু ছাত্ৰীয়ে আৰ্থিক দৈন্যতাৰ বাবেই শিক্ষা গ্ৰহণ কৰিব নোৱাৰি অধ্যয়নকে বাদ দিব লগীয়া হয়। ফলত বাল্য বিবাহৰ দৰে ভয়াৱহ সমস্যাৰ সৃষ্টি হোৱা পৰিলক্ষিত হয়। এই অভিলাষী আঁচনিখনে এই সমস্যা ৰোধ কৰাত বহুখিনি সফল হ'ব। অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ পৰিপাটি, শৃংখলাবদ্ধ পৰিৱেশক বিধায়কগৰাকীয়ে প্ৰশংসা কৰি অধ্যক্ষৰ লগতে অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীসকলক এনে এক পৰিৱেশ সৃষ্টি কৰাৰ বাবে ধন্যবাদ জনায়। ডি এইছ এছ কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনীৰ সম্পাদক নয়নজ্যোতি কুৰ্মীয়ে আঁতধৰা অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই কয়, ছাত্ৰীসকল উপকৃত হ'ব পৰাকৈ আৰু বাল্য বিবাহ ৰোধ কৰিব পৰা অভিলাষী আঁচনিখন শুভাৰম্ভ কৰাৰ বাবে চৰকাৰক ধন্যবাদ জনাই কয়, সময়ক ভাল পোৱা মানুহে জীৱনটোক ভাল পায় আৰু জীৱনটোক ভাল পোৱা মানুহে সময়ক ভাল পায়। সময়ক অতি গুৰুত্ব প্ৰদান কৰি সময়ৰ স'তে আগুৱাই যোৱা অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে যি অভিলাষী আঁচনি গ্ৰহণ কৰিছে সেই আঁচনিয়ে ছাত্ৰীসকলৰ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত বহুখিনি সহায় কৰিব। উল্লেখ্য যে বিধায়ক প্ৰশান্ত ফুকনে কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণী-কোঠাত ব্যৱহাৰ কৰিব পৰাকৈ এটা নতুন



ইনচিনাৰেটৰ এমাহৰ ভিতৰত মহাবিদ্যালয়খনক প্ৰদান কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। বিধায়কগৰাকীয়ে বিহুগীতৰ উপৰি তিনিটাকৈ গীত পৰিৱেশন কৰি গীত-মাতেৰে সকলোকে মুগ্ধ কৰে। অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, শৈক্ষিক সমন্বয়ক ড° মৃদুল শৰ্মাৰ উপৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ লগতে তিনি শতাধিক ছাত্ৰী উপস্থিত থাকে। শলাগ জ্ঞাপন কৰে ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনীৰ সম্পাদক নয়নজ্যোতি কুৰ্মীয়ে।